





# ৰহা মহাবিদ্যালয়

ৰহা, নগাঁও (অসম)

স্থাপিত - ১৯৬৪ চন।

## সম্বৰ্দ্ধনা পত্ৰ

প্ৰতি,

মাননীয়া ড° ৰাজশ্ৰী বৰা
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
ৰহা মহাবিদ্যালয়, ৰহা, নগাঁও (অসম)

শ্ৰদ্ধাভাজনেষু হে মহিয়সী,

প্ৰাৰম্ভতে আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন গ্ৰহণ কৰিব। জ্ঞান সুৰুজৰ প্ৰভাতী কিৰণ হৈ কুৰি শতিকাৰ এক মাহেন্দ্ৰ ক্ষণত শিক্ষা জগতৰ অমৃত মন্থন আৰু অভিজ্ঞতাৰ মৌ-কোঁহত জ্ঞান শিখা প্ৰজ্বলনেৰে দিগন্তৰ পথ প্ৰদৰ্শন কৰিবৰ বাবেই যেন আপুনি ৰহালৈ আহি ৰহাৰ সমাজ জীৱনত সংপৃক্ত হৈ আপোনাৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক তথা শৈক্ষিক দক্ষতাৰে ৰহা মহাবিদ্যালয়ত অন্তৰ্ভুক্ত হোৱা দিনৰে পৰাই মহাবিদ্যালয়খনৰ সুদৃঢ় ভেটি গঢ়াত যি ত্যাগ স্বীকাৰ কৰিছে তাৰ বাবে ৰহা মহাবিদ্যালয় পৰিয়াল সদায় উৎফুল্লিত আৰু আপ্লুত।

হে'' বহুমুখী প্ৰতিভাধৰ জ্ঞানপিপাসু,

আপুনি এগৰাকী অধ্যাপিকা যদিও নৱ প্ৰজন্মৰ বাবে প্ৰেৰণা আৰু আদৰ্শৰ প্ৰতীক ৰূপে বিৰাজমান। আপোনাৰ সাধনা আৰু ত্যাগক অনুধাৱন কৰিলে সহজেই অনুমেয় যে আপোনাৰ কৰ্মই দিয়ে আপোনাৰ পৰিচয়। দৃষ্টিত সদায় সৃষ্টিৰ আকাংক্ষা উন্মোচিত হৈ থকা আপোনাৰ জীৱন আলোকিত কৰা গুণ-গৰিমা আৰু অলংকাৰসমূহ অৱলোকন কৰিলেই গম পোৱা যায় আপোনাৰ জীৱনৰ সাৰ্থকতা। অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই দেৰগাঁও উচ্চ ইংৰাজী বালিকা বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰত প্ৰকাশ পোৱা 'জোন ধৰা পৰিল' নামৰ গল্প প্ৰকাশ, উচ্চতৰ মাধ্যমিকত পঢ়ি থাকোঁতে 'নতুন কবিৰ মঞ্চ'ত প্ৰথম কবিতা প্ৰকাশ কৰি ছাত্ৰাৱস্থাৰ পৰাই যে আপোনাৰ সাহিত্য সৃষ্টিত মনোনিৱেশ আছিল তাকে প্ৰমাণ কৰি সাহিত্য সৃষ্টিৰে মহীয়ান আপোনাৰ সৃজনী মূলক কাম-কাজৰ খতিয়ানখন বৰ দীঘলীয়া বুলি সহজে অনুমেয়। আপোনাৰ কৃতি কৰ্মৰে বৰ্তমান সময়লৈ বিভিন্ন গ্ৰন্থ আলোচনীত বিভিন্ন প্ৰবন্ধ প্ৰকাশ, এখন আন্তঃ ৰাষ্ট্ৰীয় আৰু কেইবাখনো ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ আদিৰ লগতে 'মাধৱ কন্দলী আৰু কৃত্তিবাসী ৰামায়ণৰ বিষয়বস্তুৰ এটি তুলনা মূলক অধ্যয়ন' শীৰ্ষক বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট উপাধি লাভ কৰাই এক উৎকৃষ্ট উদাহৰণ। আনহাতে স্বতন্ত্ৰ গ্ৰন্থ - 'ৰামায়ণ প্ৰভা' হ'ল আপোনাৰ বাবে এক উল্লেখনীয় সৃষ্টি। ইয়াৰ উপৰিও সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আজীৱন সদস্যা, লীলাৱতী শইকীয়া বৰা গৱেষণা মঞ্চৰ সক্ৰিয় সদস্যা হোৱাটোও লেখত লবলগীয়া দিশ। আপোনাক আন্তৰিক অভিনন্দন জনাইছোঁ।

শেহতীয়াকৈ 'ভাষা-সাহিত্য আৰু সমাজ সংস্কৃতিৰ জিলিঙনি'' গ্ৰন্থৰ বাবে বাৰ্তাপৰিক্ৰমাৰ ২০২০ বৰ্ষৰ ''পুষ্পাদেৱী জালান সাহিত্য বঁটা, '' গাঁৱেই ভাৰতৰ প্ৰাণকেন্দ্ৰ'' শীৰ্ষক প্ৰবন্ধৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা, অসম সাহিত্য সভাৰ তুমতুমা অধিবেশনৰ অসম সংঘৰ আলোচক বঁটা আদি লাভ কৰি সমাজ সংস্কৃতিলৈ আগবঢ়োৱা বৰঙণিৰ বাবে লগতে বুৰঞ্জী প্ৰসিদ্ধ ৰহাৰ মাজমজিয়াত অৱস্থিত ৰহাৰ এক অনন্য উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ৰহা মহাবিদ্যালয়ৰ এগৰাকী স্বনামধন্যা অধ্যাপিকা হিচাপে এই শিক্ষানুষ্ঠানৰ উত্তৰণত আহোপুৰুষাৰ্থ সাধন কৰাত আমি আপ্লুত, চিৰকৃতজ্ঞ আৰু অতিকৈ গৌৰৱান্বিত। আপোনাৰ বহুমুখী কৃতিত্বৰ প্ৰতি আকৃষ্ট হৈ ৰহা মহাবিদ্যালয় পৰিয়ালবৰ্গৰ তৰফ ৰ পৰা আপোনালৈ যাচিছো সশ্ৰদ্ধ সম্বৰ্দ্ধনা।

মহা মহা মহিয়সী সকলৰ দৰে আপুনিও মহীয়ান হওক, কৰ্মময় জীৱনৰ আৰু উদ্‌গতি হওক, সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো আপোনাৰ জীৱন সাৰ্থক হওক। আপোনাৰ সাৰ্থক জীৱনৰ কৃতিত্ব বিশ্ব জুৰি ব্যাপি পৰক তাৰে কামনাৰে...

ইতি

ৰহা মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ

ড° বেদ কুমাৰ চলিহা
অধ্যক্ষ, ৰহা মহাবিদ্যালয়
ৰহা, নগাঁও (অসম)
১২ জানুৱাৰী ২০২২ চন।